**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 22-03-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতি দ্ৰৌপদী মুৰ্মুৱে কয়, যে সমাজৰ অৱহেলিত শ্ৰেণীৰ প্ৰতি দেখুওৱা সংবেদনশীলতাই এখন দেশ বা সমাজৰ মৰ্যাদা নিৰ্ণয় কৰে।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতা নীতি গ্ৰহণ কৰিছে বুলি পুনৰবাৰ দৃঢ়তাৰে প্ৰকাশ কৰে।

৩। ভাৰত আৰু মংগোলীয়াই কৌশলগত অংশীদাৰিত্ব শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত থকা তেওঁলোকৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে দোহাৰিছে।

৪। নতুন দিল্লীত কালি চতুৰ্থ ভাৰত-ইউৰোপীয় সংঘ সামুদ্ৰিক নিৰাপত্তা আলোচনা অনুষ্ঠিত হয়। *আৰু*

৫। ইণ্ডিয়ান প্ৰীমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ অষ্টাদশ সংস্কৰণৰ  আজিৰ উদ্বোধনী খেলত কলকাতা নাইট ৰাইডাৰ্ছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

সমাজৰ অৱহেলিত শ্ৰেণীৰ প্ৰতি দেখুওৱা সংবেদনশীলতাই এখন দেশ বা সমাজৰ মৰ্যাদা নিৰ্ণয় কৰে। ৰাষ্ট্ৰপতি ভৱনত কালি সন্ধিয়া অনুষ্ঠিত পাৰ্পল মহোৎসৱত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰপতি শ্ৰীমতি দ্ৰৌপদী মুৰ্মুৱে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে দয়া, সৌহাদ্য, আৰু অন্তৰ্ভুক্তিকৰণে ভাৰতীয় সংস্কৃতি আৰু সভ্যতাৰ মূল্যবোধ নিৰূপণ কৰে। বিভিন্ন প্ৰকাৰৰ দিব্যাংগৰ বিষয়ে সজাগতাৰ সৃষ্টি কৰা আৰু জনসাধাৰণৰ জীৱনত ইয়াৰ প্ৰভাৱ তথা সমাজত ইয়াৰ গ্ৰহণযোগ্যতাৰ সন্দৰ্ভত প্ৰচাৰ আৰু প্ৰসাৰৰ লক্ষ্যৰে এই পাৰ্পল মহোৎসৱৰ আয়োজন কৰা হয়। শ্ৰীমতী মুৰ্মুৱে তেওঁক ভাষণত কয়, যে সংবিধানৰ প্ৰস্তাৱনাতে সামাজিক ন্যায়, সমতা আৰু ব্যক্তি বিশেষৰ মৰ্যাদাৰ কথা কোৱা হৈছে। চৰকাৰে দিব্যাংগসকলৰ সবলীকৰণ আৰু সকলো ক্ষেত্ৰতে তেওঁলোকৰ সম অংশগ্ৰহণ সুনিশ্চিত কৰাৰ বাবে সুগম্য ভাৰত অভিযান ৰূপায়ণ কৰাক লৈ ৰাষ্ট্ৰপতিগৰাকীয়ে সন্তুষ্টি প্ৰকাশ কৰে। অনুষ্ঠানত শ্ৰীমতী মুৰ্মুৱে দিব্যাংগ সকলৰ সাংস্কৃতিক অনুষ্ঠান উপভোগ কৰে।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতা নীতি গ্ৰহণ কৰিছে বুলি পুনৰবাৰ দৃঢ়তাৰে প্ৰকাশ কৰে। ৰাজ্যসভাত কালি গৃহ পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ কাম-কাজ সন্দৰ্ভত হোৱা আলোচনাত এটা প্ৰশ্নৰ উত্তৰ দি শ্ৰীশ্বাহে কয়, যে বিগত ১০ বছৰত চৰকাৰে ৰাজনৈতিক সদিচ্ছা আৰু প্ৰযুক্তিৰ ব্যৱহাৰেৰে ৰাষ্ট্ৰৰ নিৰাপত্তা ব্যৱস্থাক শক্তিশালী কৰি তুলিছে। তেওঁ কয়, যে পূৰ্বে দেশে জন্মু-কাশ্মীৰৰ সন্ত্ৰাসবাদ, বাওঁপন্থী উগ্ৰবাদ আৰু উত্তৰ পূৰ্বাঞ্চলৰ বিদ্ৰোহ- এই তিনিটা গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল যাৰ ফলত দেশৰ প্ৰগতি আৰু বিকাশত বাধাৰ সৃষ্টিৰ হৈছিল।

শ্ৰীশ্বাহে উল্লেখ কৰে যে চৰকাৰে এই আটাইবোৰ প্ৰত্যাহ্বানৰ সৈতে সুন্দৰভাৱে মোকাবিলা কৰিছে আৰু নৰেন্দ্ৰ মোদী চৰকাৰৰ নেতৃত্বতে সন্ত্ৰাসবাদ, নক্সালবাদ আৰু উগ্ৰবাদৰ অন্ত পৰিবলৈ গৈ আছে। তেওঁ কয়, যে এন ডি এ চৰকাৰৰ শাসনকালত জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদী কাৰ্যকলাপত মৃত্যুৰ হাৰ ৭০ শতাংশলৈ হ্ৰাস পাইছে আৰু সন্ত্ৰাসবাদী কাৰ্যকলাপো ক্ষিপ্ৰতাৰে কমি আহিছে। তেওঁ লগতে কয়, যে ৩৭০ নম্বৰ অনুচ্ছেদ বাতিল কৰাৰ জৰিয়তে চৰকাৰখনে সংবিধান প্ৰণেতাসকলৰ **এখন সংবিধান, এখন পতাকা**ৰ সপোন পূৰ কৰিলে।

অহা বছৰৰ মাৰ্চৰ ভিতৰত দেশৰ পৰা নক্সালবাদ সম্পূৰ্ণৰূপে নিৰ্মূল কৰা হ'ব বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে নক্সাল প্ৰভাৱিত এলেকাসমূহত এতিয়া পথ যোগাযোগ ব্যৱস্থা আৰু ইণ্টাৰনেটৰ সুবিধা উপলব্ধ হোৱাৰ উপৰি নতুন বেংক আৰু এটিএম স্থাপন কৰা হৈছে। শ্ৰীশ্বাহে লগতে কয়, যে মোদী চৰকাৰ পুনৰ শাসনলৈ অহাৰ পাছত উত্তৰ-পূৰ্বাঞ্চলৰ সকলো সশস্ত্ৰ গোটৰ সৈতে আলোচনাত মিলিত হয়। ২০১৯ চনৰ পৰা বৰ্তমানলৈকে সশস্ত্ৰ গোটসমূহৰ সৈতে ১২ খন গুৰুত্বপূৰ্ণ শান্তিৰ চুক্তিত স্বাক্ষৰ কৰা হৈছে বুলি উল্লেখ কৰি গৃহমন্ত্ৰীগৰাকীয়ে ১০ হাজাৰ ৯০০ যুৱকে সশস্ত্ৰ সংগ্ৰাম পৰিহাৰ কৰি মূল সুঁতিলৈ উভতি আহিছে বুলি সদনক জানিবলৈ দিয়ে। শ্ৰীশ্বাহে লগতে দেশৰ সীমান্ত আৰু আভ্যন্তৰীণ সুৰক্ষা শক্তিশালী কৰাৰ স্বাৰ্থত প্ৰাণ হেৰুওৱা আৰক্ষী আৰু কেন্দ্ৰীয় অসামৰিক বাহিনীৰ হাজাৰ হাজাৰ জোৱানৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে।

মাদক দ্ৰব্য ৰোধৰ ক্ষেত্ৰত লাভ কৰা সফলতাৰ কথা উল্লেখ কৰি গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে বিগত ৫ বছৰত ১৪ হাজাৰ কোটি টকাতকৈও অধিক মূল্যৰ ২৩ হাজাৰ কিলোগ্ৰাম মাদক দ্ৰব্য ধ্বংস কৰা হৈছে। আফিঙৰ খেতি বিনষ্ট কৰা তথা মাদক দ্ৰব্যৰ ভয়াৱহতা ৰোধ কৰাৰ ক্ষেত্ৰত ড্ৰ'ন, কৃত্ৰিম উপগ্ৰহ আৰু আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ কৰা হৈছে বুলি শ্ৰীশ্বাহে জানিবলৈ দিয়ে।

০০০০০

ভাৰত আৰু মংগোলীয়াই কৌশলগত অংশীদাৰিত্ব শক্তিশালী কৰি তোলাৰ ক্ষেত্ৰত থকা তেওঁলোকৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে দোহাৰিছে। দুয়োখন দেশৰে জ্যেষ্ঠ বিষয়াসকলে কালি উভয় ৰাষ্ট্ৰৰ মাজৰ কূটনৈতিক সম্পৰ্কৰ ৭০ সংখ্যক বাৰ্ষিকী উপলক্ষে  দ্বিপাক্ষিক চুক্তি, বিভিন্ন খণ্ডত সহযোগিতা আৰু উচ্চ পৰ্যায়ৰ পৰিকল্পনাৰ বিষয়ে সৰ্বাত্মক পৰ্যালোচনা চলায়। নতুন দিল্লীত কালি দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক পৰ্যালোচনা কৰাৰ উদ্দেশ্যে বিদেশ মন্ত্ৰালয়ৰ সচিব জয়দীপ মজুমদাৰ আৰু মংগোলীয়াৰ বিদেশ মন্ত্ৰালয়ৰ ৰাজ্য সচিব এখন বৈঠকত মিলিত হয়। দুয়ো পক্ষই দ্বিপাক্ষিক অংশীদাৰিত্ব অধিক শক্তিশালী কৰি তোলা তথা উচ্চস্তৰীয় সম্পৰ্ক বৰ্তাই ৰখাৰ বিষয়ে পৰ্যালোচনা কৰে। শিক্ষা, আই টি, শক্তি, বিকাশৰ অংশীদাৰিত্ব, সংস্কৃতি, দক্ষতা বিকাশ, প্ৰতিৰক্ষা আৰু সুৰক্ষা, খনন আদি বিভিন্ন খণ্ডত দুয়োখন ৰাষ্ট্ৰৰ মাজত থকা সহযোগিতাৰ বিষয়তো বৈঠকত পৰ্যালোচনা কৰা হয়। তেওঁলোকে পাৰস্পৰিক হিতৰ অৰ্থে আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয় সন্দৰ্ভতো মত বিনিময় কৰে। উভয় ৰাষ্ট্ৰৰ মাজৰ কূটনৈতিক সম্পৰ্কৰ ৭০ সংখ্যক বাৰ্ষিকী উদযাপন কৰাৰ উদ্দেশ্যে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে বিদেশ কাৰ্যালয়ৰ সংবিধান আনুষ্ঠানিকভাৱে সচিব পৰ্যায়লৈ উন্নীত কৰা সন্দৰ্ভতো উভয় পক্ষই সহমত প্ৰকাশ কৰে।

০০০০০

নতুন দিল্লীত কালি চতুৰ্থ ভাৰত-ইউৰোপীয় সংঘ সামুদ্ৰিক নিৰাপত্তা আলোচনা অনুষ্ঠিত হয়। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ নিৰস্ত্ৰকৰণ আৰু আন্তঃৰাষ্ট্ৰীয় সুৰক্ষা পৰিক্ৰমা বিভাৰ যুটীয়া সচিব মুৱানপুই ছেয়াৱিয়ে ভাৰতীয় প্ৰতিনিধিসকলক নেতৃত্ব দিয়ে। আনহাতে ইউৰোপৰ প্ৰতিনিধিসকলক ইউৰোপীয় বৈদেশিক কাৰ্যসেৱাৰ নিৰাপত্তা আৰু প্ৰতিৰক্ষা নীতিৰ সঞ্চালক মাশ্বে ষ্টেডজেকে নেতৃত্ব দিয়ে। ভাৰত আৰু ইউৰোপীয় সংঘই বিশ্বৰ কল্যাণ তথা সৰ্বাংগীন বিকাশৰ বাবে সুৰক্ষিত সামুদ্ৰিক পৰিৱেশ বৰ্তাই ৰখাৰ বিভিন্ন বিষয়ত আলোচনা কৰে। দুয়োপক্ষই সামুদ্ৰিক ক্ষেত্ৰত বৰ্তমানে থকা সহযোগিতাৰ পৰ্যালোচনা কৰি ব্যাপক সামুদ্ৰিক নিৰাপত্তাৰ বাবে আন্তঃৰাষ্ট্ৰীয় আৰু আঞ্চলিক তন্ত্ৰ শক্তিশালী কৰাৰ উপায় সন্দৰ্ভতো আলোচনা কৰে। তেওঁলোকে লগতে অবৈধ সামুদ্ৰিক কাৰ্যকলাপ ৰোধ, গুৰুত্বপূৰ্ণ সামুদ্ৰিক আন্তঃগাঁথনিৰ সুৰক্ষা, আঞ্চলিক ক্ষমতাৰ বিকাশৰ দৰে ক্ষেত্ৰসমূহত সম্প্ৰতি চলাই থকা প্ৰচেষ্টাক অধিক শক্তিশালী কৰি তোলাৰ বাবে সন্মতি প্ৰকাশ কৰে।

ooooo

ভাৰতৰ তৃষা জলি আৰু গায়ত্ৰী গোপীচান্দে ছুইজাৰলেণ্ডৰ বাচেলত অনুষ্ঠিত ছুইচ অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ডাবলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। কমনৱেল্থ গেমছৰ ব্ৰঞ্জৰ পদক বিজেতা তৃষা আৰু গায়ত্ৰীয়ে হংকং চাইনাৰ যুটী য়ুং না টিং আৰু য়ুং পুই লামক ২১-১৮, ২১-১৪ ছেটত পৰাস্ত কৰে। কাইলৈ তেওঁলোক ছেমি ফাইনেলত পিপলছ ৰিপাব্লিক অৱ চাইনাৰ লিউ ছেংছু আৰু টেন নিঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইপিনে পুৰুষৰ ছিংগলছৰ কোৱাৰ্টাৰ ফাইনেলত ভাৰতৰ শংকৰ সুব্ৰমনিয়ম ফ্ৰান্সৰ ক্ৰিষ্ট' পপোভৰ হাতত ২১-১০, ২১-১৪ ছেটত পৰাজিত হয়। প্ৰতিযোগিতাৰ পৰা ইতিমধ্যে আটাইকেইগৰাকী ভাৰতীয় খেলুৱৈ বাহিৰ হৈছে।

ooooo

নতুন দিল্লীৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত কালি খেলো ইণ্ডিয়া পেৰা গেমছৰ দ্বিতীয় দিনা পেৰা এথলিট আৰু পেৰা বেডমিণ্টন খেলুৱৈসকলে সুন্দৰ খেল প্ৰদৰ্শন কৰে। কালিৰ দিনটোত ৪৪টা সোণৰ পদক অৰ্জন কৰা হয়। তামিলনাডু ৯টা সোণৰ পদকেৰে তালিকাৰ শীৰ্ষত থকাৰ লগতে ৭টা সোণেৰে হাৰিয়ানা দ্বিতীয় আৰু ৫টা সোণেৰে মহাৰাষ্ট্ৰ আৰু উত্তৰপ্ৰদেশ দ্বিতীয় স্থানত আছে। ২টা সোণৰ পদক জয়েৰে তোমিলনাডুৰ ৰমেশ ছাংগুমান কালিৰ দিনটোত তাৰকা খেলুৱৈ ৰূপে পৰিগণিত হয়। আকাশবাণীৰ সৈতে হোৱা কথা বতৰাত পেৰা এথলিট মিট তাধানীয়ে খেলো ইণ্ডিয়া পদক্ষেপৰ জৰিয়তে এনে এখন মঞ্চ প্ৰদান কৰাৰ বাবে চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে।

ইপিনে ইন্দিৰা গান্ধী ষ্টেডিয়ামত অনুষ্ঠিত পেৰা বেডমিণ্টনত পেৰিছ অলিম্পিয়ান নীতেশ কুমাৰ আৰু টকিঅ' পেৰা অলিম্পিকৰ সোণৰ পদক বিজেতা কৃষ্ণা নাগৰে নিজৰ আধিপত্য বজাই ৰাখে। কোৱাৰ্টাৰ ফাইনেলত শীৰ্ষ বাছনিৰ মঞ্জুনাথা চিক্কায়াক সঞ্জীৱ কুমাৰে ২১-১৩, ২১-৬ ফলাফলত পৰাস্ত কৰে।

ooooo

ইণ্ডিয়ান প্ৰীমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ অষ্টাদশ সংস্কৰণ আজি আৰম্ভ হ'ব। কলকাতাৰ ইডেন গাৰ্ডেনছ ষ্টেডিয়ামত আজি সন্ধিয়া উদ্বোধনী খেলখন যোৱাবাৰৰ চেম্পিয়ন কলকাতা নাইট ৰাইডাৰ্ছ আৰু ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ মাজত খেলোৱা হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। আজিৰ উদ্বোধনী অনুষ্ঠানত প্ৰসিদ্ধ গায়িকা শ্ৰেয়া ঘোষাল, পাঞ্জাবী গায়ক কৰণ ঔজলা আৰু বলীউদৰ

অভিনেত্ৰী দিশা পাটানীয়ে অনুষ্ঠান পৰিৱেশন কৰিব। প্ৰতিযোগিতাত ১০টা দলৰ মাজত ৭৪ খন খেল অনুষ্ঠিত হ'ব।

ইপিনে আই পি এল আৰম্ভ হোৱাৰ পূৰ্বে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ, বিচিচিআইয়ে এই প্ৰতিযোগিতাৰ বাবে চাৰিটা বৃহৎ পৰিৱৰ্তন কৰিছে। পৰিষদৰ মুখ্য কাৰ্যালয়ত কালি দলসমূহৰ অধিনায়ক, প্ৰশিক্ষক আৰু প্ৰৱন্ধকসকলৰ সৈতে বিচিচিআইৰ এখন বৈঠকত সৰ্বসন্মতিক্ৰমে বলত লেলাৱতি লগোৱা কাৰ্যত অনুমতি দিয়া হয়। ক'ভিড মহামাৰীৰ সময়ত এই কাৰ্যত নিষেধাজ্ঞা আৰোপ কৰা হৈছিল। তদুপৰি সন্ধিয়াৰ ভাগত অনুষ্ঠিত খেলসমূহত কুঁৱলীৰ বাবে উৎপন্ন হোৱা প্ৰত্যাহ্বানসমূহ দূৰ কৰাৰ উদ্দেশ্যে পাছত বলিং কৰা দলে ১০ অভাৰৰ পাছত বল বদলোৱাৰ বাবে অনুৰোধ কৰিব পাৰিব। আম্পায়াৰেও দশম অভাৰৰ পাছত প্ৰয়োজন হ'লে বদলি কৰাৰ সিদ্ধান্ত ল'ব পাৰিব। এই প্ৰতিযোগিতাতে নতুন আচৰণ বিধি প্ৰযোজ্য হ'ব আৰু ৩৬ মাহলৈকে এই বিধি বাহাল থাকিব।

ooooo

সমাপ্ত